নিশ্চয় আল্লাহ আৰু তেওঁৰ ৰাছুলে, মাদক দ্ৰৱ্য বেচা কিনা, মৃত জন্তু, গাহৰি আৰু মূৰ্ত্তি আদি হাৰাম কৰিছে।

জাবিৰ বিন আব্দুল্লাহ ৰাদ্বিয়াল্লাহু আনহুমাৰ পৰা বৰ্ণিত যে, তেওঁ ৰাছুলুল্লাহ চাল্লাল্লাহু আলাইহি অছাল্লামৰ পৰা মক্কা বিজয়ৰ বছৰত এই বুলি কোৱা শুনিছে যে, "নিশ্চয় আল্লাহ আৰু তেওঁৰ ৰাছুলে, মাদক দ্ৰৱ্য বেচা কিনা, মৃত জন্তু, গাহৰি আৰু মূৰ্ত্তি আদি হাৰাম কৰিছে।" তেখেতক সোধা হ'ল, হে আল্লাহৰ ৰাছুল! মৃত জন্তুৰ তেল সম্পৰ্কে আপোনাৰ মতামত কি? যিটো চৰ্বি মানুহে নাৱত মালিচ কৰে, চামৰাত লগায় আৰু
বন্তি জ্বলায়? তেখেতে ক'লেঃ "নহয়, সেইটোও হাৰাম।" ইয়াৰ পিছত তেখেত চাল্লাল্লাহু আলাইহি অছাল্লামে ক'লেঃ "আল্লাহে ইয়াহুদীসকলক ধ্বংস কৰক, আল্লাহে যেতিয়া সিহঁতৰ
ওপৰত মৃত জন্তুৰ চৰ্বি হাৰাম কৰিছিল তেতিয়া সিহঁতে সেইটোক দ্ৰৱীভূত কৰি বিক্ৰী কৰিছিল আৰু ইয়াৰ মূল্য ভক্ষণ কৰিছিল।" [ছহীহ] [(মুত্তাফাক আলাইহ {বুখাৰী মুছলিম})]

মক্কা বিজয়ৰ বছৰত মক্কাত থকা অৱস্থাত জাবিৰ বিন আব্দুল্লাহ ৰাদ্বিয়াল্লাহু আনহুমাই নবী চাল্লাল্লাহু আলাইহি অছাল্লামক কোৱা শুনিছিল যে, নিশ্চয় আল্লাহে মাদক দ্ৰৱ্যৰ ক্ৰয়-বিক্ৰয়, মৃত জন্তু, গাহৰি আৰু মূৰ্ত্তি আদিক হাৰাম কৰিছে। কোনোবাই তেখেতক প্ৰশ্ন কৰিলে, হে আল্লাহৰ ৰাছুল! মৃত জন্তুৰ চৰ্বি বিক্ৰী কৰা যাবনে? কাৰণ এইটো নাৱত প্ৰলেপ লগাবলৈ আৰু চামৰা আদিত ঘঁহিবলৈ আৰু মানুহে বন্তি জলাবলৈ ব্যৱহাৰ কৰে। তেতিয়া তেখেতে ক'লেঃ নহয়, ইয়াৰ ক্ৰয়-বিক্ৰয়ো হাৰাম। ইয়াৰ পিছত তেখেত চাল্লাল্লাহু আলাইহি অছাল্লামে ক'লেঃ আল্লাহে ইয়াহুদীসকলক ধ্বংস কৰক আৰু সিহঁতৰ ওপৰত অভিসম্পাত কৰক, যেতিয়া সিহঁতৰ ওপৰত আল্লাহে জীৱ-জন্তুৰ চৰ্বি হাৰাম কৰিছিল, তেতিয়া সিহঁতে সেইটোক দ্ৰৱীভূত কৰি বিক্ৰী কৰিছিল আৰু সেই মূল্য ভক্ষণ কৰিছিল।

http://sunnah.global/hadeeth/as/show/4556